## 6.7. নিৰ্দেশনা আৰু পৰামৰ্শদানৰ উন্নতিৰ উপায়সমূহ (Ways to improve Guidance and Counselling) ঃ

নিৰ্দেশনা আৰু পৰামৰ্শদানৰ বিকাশ সাধনৰ বাবে তলত কিছুমান উপায়ৰ বিষয়ে আলোচন কৰা হ'ল—

1. **সুসংগঠিত সংগঠনৰ দৰকাৰ (Well Organised Organisation) ঃ** নিৰ্দেশনা আৰু পৰামৰ্শৰ সম্প্ৰসাৰণৰ বাবে ৰাজ্যিক ভিত্তিত এটা সুসংগঠিত অনুষ্ঠান স্থাপন কৰিব লাগিব। এটা সংগঠনে নিৰ্দেশনা আৰু পৰামৰ্শৰ বিকাশ সাধন কৰিব পাৰিব।

2. **সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব (Emphasis on Expansion) ঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে শৈক্ষিক নিৰ্দেশনা সম্প্ৰসাৰণৰ বিভিন্ন কাৰ্য্যসূচীসমূহৰ ওপৰত গুৰত্ব আৰোপ কৰিব লাগিব। চৰকাৰৰ সহায় সহযোগিতা অবিহনে ইয়াৰ বিকাশ সম্ভৱ নহয়।

3. **উপযুক্ত পৰিকল্পনা (Adequate Planning) ঃ** সকলোধৰণৰ শৈক্ষিক অনুষ্ঠানৰ বাবে নিৰ্দেশনা আৰু পৰামৰ্শদানৰ আঁচনি উপযুক্তভাৱে পৰিকল্পনা কৰি বাস্তৱত প্ৰয়োগ কৰিব লাগিব। উপযুক্ত পৰিকল্পনা কৰি বাস্তৱত প্ৰয়োগ কৰিব লাগিব। উপযুক্ত পৰিকল্পনা নহ'লে ই আধৰুৱা হৈ ৰ'ব।

Scanned by CamScanner

4. **নিৰ্দেশনাৰ গুৰুত্ব সম্পৰ্কে প্ৰচাৰ (Highlighted on Importance of Guidance)** ঃ নিৰ্দেশনা আৰু পৰামৰ্শৰ আৱশ্যকতা সম্পৰ্কে জনসাধাৰণৰ মাজত বিভিন্ন মাধ্যমেৰে প্ৰচাৰ চলাব লাগিব। এইক্ষেত্ৰত চৰকাৰে আগভাগ ল'ব লাগিব। আমাৰ দেশত এতিয়াও বহুলোক আছে যি ইয়াৰ গুৰুত্ব সম্পৰ্কে জ্ঞাত নহয়।

5. **শিক্ষক প্ৰশিক্ষণৰ মুখ্য বিষয় (Core Subject of teacher training)ঃ** নিৰ্দেশনা আৰু পৰামৰ্শদানক শিক্ষক প্ৰশিক্ষণৰ প্ৰতিটো স্তৰতে মুখ্য বিষয় হিচাপে লোৱা উচিত। শিক্ষকসকল এইবিষয়ত উপযুক্তভাৱে প্ৰশিক্ষিত হ'লে তেওঁলোকে ছাত্ৰ ছাত্ৰীসকলক সহায় কৰিব পাৰিব। ইয়াক প্ৰাক নিযুক্তি (Pre-service) প্ৰশিক্ষণ আৰু চাকৰিকালীন (Inservice) প্ৰশিক্ষণ হিচাপে গ্ৰহণ কৰা উচিত।

6. **নিৰ্দেশনা আৰু পৰামৰ্শকোষ গঠনৰ ওপৰত গুৰুত্ব (Emphasis on Formation of Guidance and Counselling Cell)** ঃ দেশৰ প্ৰতিখন শিক্ষানুষ্ঠানতে একোটা নিৰ্দেশনা আৰু পৰামৰ্শ কোষ গঠন কৰি উপযুক্তভাৱে প্ৰশিক্ষিত আৰু অৰ্হতা সম্পন্ন ব্যক্তিৰ নিয়োগ কৰা উচিত। এই কাৰ্য্য বৰ্তমানেও আমাৰ শিক্ষানুষ্ঠান সমূহত গঢ় লৈ উঠা নাই

7. **গৃহ আৰু বিদ্যালয়ৰ সহযোগিতা (Co-operation Between Home and School)** ঃ নিৰ্দেশনা আৰু পৰামৰ্শদানৰ কাৰ্য্যসূচী সফলভাৱে আগুৱাই নিবলৈ হ'লে গৃহ আৰু বিদ্যালয়ৰ মাজত এটা আন্তৰিকতাপূৰ্ণ আৰু সহযোগিতামূলক মনোভাৱ গঢ়ি উঠিব লাগিব।

8. **হ্ৰস্বম্যাদী কাৰ্য্যসূচী (Short Term Programmes)** ঃ সকলো শিক্ষানুষ্ঠানতে নিৰ্দেশনা আৰু পৰামৰ্শ গ্ৰহণ কৰা কাৰ্য্যসূচীসমূহ হ্ৰস্বম্যাদী হিচাপে প্ৰয়োগ কৰা উচিত। কাৰ্য্যসূচীসমূহ হ্ৰস্বম্যাদী হ'লে সকলোৰে আকৰ্ষিত হোৱা দেখা যায়।

Scanned by CamScanner